# অসম বিধান সভা

**লিখিত প্ৰশ্ন নং : ৪৫৯**

উত্তৰ দিয়াৰ তাৰিখ – ২৩/০৭/২০২৬

**বিষয়ঃ বৰখলায় MMLP শিল্প প্ৰকল্প স্থাপন প্ৰসঙ্গে।** **সদস্যৰ নামঃ শ্ৰীকিশোৰ নাথ ঃ**

**৪৫৯ ।** মাননীয় উদ্যোগ, বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান বিভাগের মন্ত্ৰী মহোদয় অনুগ্ৰহ করিয়া জানাবেন কিঃ

(ক) বৰখলা বিধান সভা সমষ্টিতে নতুন কোনো শিল্প প্ৰতিষ্ঠান (Industry) স্থাপনের জন্য সরকারের কোনো পরিকল্পনা বর্তমানে রয়েছে কি? থাকলে তার বিস্তারিত বিবরণ কী?

(খ) ২০১৯ সালে বৰখলা সমষ্টিতে একতি Multi Modal Logistics Park (MMLP) স্থাপনের প্ৰস্তাব ছিল। উক্ত প্ৰকল্পটি বাস্তবায়িত না হওয়ার কারন কী? ভৱিষ্যতে বৰখলা সমষ্টিতে MMLP স্থাপনের কোনো পরিকল্পনা রয়েছে কী ?

(গ) বৰখলা সমষ্টি ও সমগ্ৰ বরাক উপত্যকার বহু যুবক-যুবতী কর্মসংস্থানের অভাবে দেশের বিভিন্ন রাজ্যে কাজের সন্ধানে যেতে বাধ্য হন। স্থানীয়ভাবে কর্মসংস্থানের জন্য আয়ের ব্যবস্থা করতে সরকার কী কী পদক্ষেপ গ্ৰহণ করেছে?

(ঘ) আসামের বিভিন্ন অঞ্চল, বিশেষত বৰখলা ও বরাক উপত্যকা থেকে বহিরাজ্যে কর্মংস্থানের উদ্দেশ্যে গমনকারী শ্ৰমিক ও কর্মজীবি রা নানা ধরনের সমস্যার সম্মুখীন হন এবং অনেক ক্ষেত্রে দুর্ঘটনায় তাঁদের মৃত্যু পর্যন্ত ঘটে। তাদের সব ধরনের সুরক্ষা প্ৰদানের জন্য সরকার কী কোনো ব্যবস্থা গ্ৰহণ করেছে?

(ঙ) বহিরাজ্যে কর্মরত আসামের শ্ৰমিকদের তথ্য ভাণ্ডার (Database) প্ৰস্তুতকরণ, নিবন্ধন এবং জরুরী পরিস্থিতিতে সহায়তা প্ৰদানের জন্য কোনো বিশেষ প্ৰকল্প বা নীতি সরকারের রয়েছে কী? থাকলে তার বিস্তারিত বিবরণ কী?

**উত্তৰঃ**

**মাননীয় উদ্যোগ, বাণিজ্য তথা ৰাজহুৱা প্ৰতিষ্ঠান বিভাগৰ মন্ত্ৰী শ্ৰীযুত বিমল বড়া দেৱে উত্তৰ দিবঃ**

**(ক)** অসম চৰকাৰে ৰাজ্যখনৰ উদ্যোগ খণ্ডৰ সামগ্ৰিক পৰিৱেশ উন্নীত কৰাৰ লক্ষ্যৰে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। সেই উদ্দেশ্যে **মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA)** আৰম্ভ কৰা হৈছে। ৰাজ্যৰ অন্যান্য বিধানসভা সমষ্টিসমূহৰ দৰেই বৰখলা বিধানসভা সমষ্টিয়েও এই আঁচনিৰ জৰিয়তে উপকৃত হৈছে। এইখন অসম চৰকাৰৰ এক অভিলাষী আঁচনি, যাৰ উদ্দেশ্য হ'ল অসমৰ নিবনুৱা যুৱক- যুৱতীসকলক আৰ্থিক সহায়, প্ৰশিক্ষণ আদিৰ জৰিয়তে স্বাৱলম্বী কৰি তোলা আৰু ৰাজ্যখনত এক শক্তিশালী উদ্যোগীক পৰিৱেশগঢ়ি তোলা। ইয়াৰ উদ্দেশ্য হ'ল নিবনুৱা সমস্যা লাঘৱৰ বাবে স্ব-নিয়োজনৰ ব্যৱস্থা কৰা আৰু ৰাজ্যখনৰ মুঠ ঘৰুৱা উৎপাদন বঢ়োৱা ইত্যাদি। বৰখলা বিধানসভা সমষ্টিত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম **অভিযান (CMAAA) ১.০**-ৰ অধীনত মুঠ ১৭৯ গৰাকী যুৱক-যুৱতীক প্ৰথম কিস্তিৰ ধন মুকলি কৰা হৈছে। উক্ত **১৭৯** গৰাকী হিতাধিকাৰীৰ ভিতৰত নিৰ্বাচিত ৯২ যোগ্য হিতাধিকাৰী দ্বিতীয় কিস্তিৰ ধনো মুকলি কৰা হৈছে আৰু অৱশিষ্ট হিতাধিকাৰী সকললৈ দ্বিতীয় কিস্তি মুকলি কৰাৰ বাবে মূল্যায়ন কাৰ্য বৰ্তমান চলি আছে। **মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযান (CMAAA) ২.০**-ৰ অধীনত মুঠ ৪৪০ গৰাকী যুৱক-যুৱতীক প্ৰথম কিস্তিৰ ধন মুকলি কৰা হৈছে।

অসম চৰকাৰে অসমৰ নিবনুৱা যুৱক-যুৱতীসকলৰ উপকাৰ সাধন কৰাৰ লগতে উদ্যোগ স্থাপনক উৎসাহিত কৰাৰ উদ্দেশ্যে বিভিন্ন আঁচনি আৰু নীতি ৰূপায়ণ কৰি আহিছে। তেনে কেইখনমান গুৰুত্বপূৰ্ণ আঁচনি তলত উল্লেখ কৰা হ'লঃ

**১)** প্ৰধান মন্ত্ৰী ক্ষুদ্ৰ খাদ্য সংসাধীকৰণ উদ্যোগৰ আনুষ্ঠানিকৰণ আঁচনি (Pradhan Mantri Formalization of Micro Food Processing Enterprises Scheme - PMFME)

২) উত্তৰপূব ৰূপান্তৰণকাৰী উদ্যোগীকৰণ আঁচনি- Uttar Poorva Transformative Industrialization Scheme (UNNATI)

৩) প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনি (PM Vishwakarma Scheme)

৪) প্ৰধানমন্ত্ৰীৰ নিযুক্তি সৃষ্টি আঁচনি (Prime Minister's Employment Generation Programme - PMEGP)

**(খ)** বৰাকত এটা মাল্টি মডেল-লজিষ্টিক পাৰ্ক (Multi-Modal Logistic Park - MMLP) স্থাপনৰ প্ৰস্তাৱ ২০১৯ চনতে উত্থাপন কৰা হৈছিল কিন্তু উল্লেখিত প্ৰস্তাৱিত স্থানটো ৰে'ল, পথ আৰু জলপথ সংযোগৰ পৰা যথেষ্ট দূৰত অৱস্থিত হোৱাৰ পৰিপ্ৰেক্ষিতত, কাছাৰ পেপাৰ মিলৰ ভূমিখণ্ডত মাল্টি ম'ডেল লজিষ্টিকছ্ পাৰ্ক (MMLP) স্থাপনৰ বাবে অসম চৰকাৰে ইতিমধ্যে এক নতুন প্ৰস্তাৱ গ্ৰহণ কৰিছে।

**(গ)** কৰ্মসংস্থাপনৰ সন্ধানত মানুহে এঠাইৰ পৰা আন ঠাইলৈ যোৱাটো এখন বিকাশশীল অৰ্থনীতিৰ এক স্বাভাৱিক প্ৰক্ৰিয়া। গাঁৱৰ পৰা চহৰলৈ, সৰু চহৰৰ পৰা ডাঙৰ চহৰলৈ, এখন ৰাজ্যৰ পৰা আন এখন ৰাজ্যলৈ, আনকি এখন দেশৰ পৰা আন এখন দেশলৈও মানুহ উন্নত জীৱিকা আৰু অধিক সুযোগৰ সন্ধানত গতি কৰে। সমগ্ৰ বিশ্বতে উদ্যোগ য'ত সুযোগ আছে তাতেই যায়, আৰু দক্ষ জনশক্তিও য'ত কৰ্মসংস্থাপনৰ সুযোগ থাকে তাতেই যায়। ভাৰত এখন একক অৰ্থনৈতিক বজাৰ হিচাপে প্ৰতিগৰাকী নাগৰিকক দেশৰ যিকোনো প্ৰান্তত কাম কৰাৰ অধিকাৰ প্ৰদান কৰিছে। সেয়েহে কৰ্মসংস্থাপনৰ বাবে মানুহৰ স্থানান্তৰ কোনো ব্যতিক্ৰম নহয়; ই অৰ্থনৈতিক বিকাশৰ এক স্বাভাৱিক অংশ।

একেসময়তে, অসমৰ যুৱসমাজে যাতে শিল্পায়নৰ সুফল সৰ্বাধিক লাভ কৰে, সেই দিশত অসম চৰকাৰ সম্পূৰ্ণভাৱে প্ৰতিশ্ৰুতিবদ্ধ। সেইবাবেই আমাৰ লক্ষ্য কেৱল বৃহৎ উদ্যোগ স্থাপন কৰাত সীমাবদ্ধ নহয়। আমাৰ লক্ষ্য হৈছে বৃহৎ উদ্যোগ, ক্ষুদ্ৰ, সৰু আৰু মজলীয়া উদ্যোগ (MSME), ষ্টাৰ্টআপ, স্থানীয় উদ্যোগপতি, সেৱা খণ্ড আৰু দক্ষ মানৱ সম্পদক লৈ এক শক্তিশালী কৰ্মসংস্থাপনৰ পৰিৱেশ গঢ়ি তোলা।

ইয়াৰ উপৰিও, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ দ্বাৰা বৰখলা সমষ্টিৰ যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপনৰ বাবে বিশেষভাৱে কোনো পৃথক পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। তথাপিও, নিয়োগ আৰু কাৰিকৰী প্ৰশিক্ষণ সঞ্চালকালয়ৰ অধীনস্থ শিলচৰ, শ্ৰীভূমি আৰু হাইলাকান্দি জিলা নিয়োগ বিনিময় কেন্দ্ৰসমূহৰ জৰিয়তে বৰাক উপত্যকাৰ যুৱক-যুৱতীসকলৰ সুবিধাৰ্থে সময়ে সময়েঃ Career Counselling, Mini Recruitment Drive আৰু Placement Drive অনুষ্ঠিত কৰি অহা হৈছে।

বৰখলা সমষ্টিৰ অন্তৰ্গত শ্ৰীকোণা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান আৰু শিলচৰ মহিলা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ জৰিয়তে স্থানীয় যুৱক-যুৱতীসকলক দক্ষতা বিকাশৰ প্ৰশিক্ষণ প্ৰদান কৰি প্ৰত্যক্ষ নিয়োগ আৰু স্ব-নিয়োজনৰ সুবিধা সৃষ্টি কৰা হৈছে। শ্ৰীকোণা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত মুঠ ২৭টা বৃত্তিমূলক বিভাগত ৯০৮খন আসন উপলব্ধ থকাৰ বিপৰীতে, শিলচৰ মহিলা ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানত মুঠ ৫টা বৃত্তিমূলক বিভাগত ১১৬ খন আসন উপলব্ধ আছে।

ইয়াৰ লগতে, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগৰ অধীনস্থ অসম দক্ষতা বিকাশ অভিযানৰ জৰিয়তে বিভিন্ন আঁচনিৰ অধীনত হ্ৰস্বকালীন দক্ষতা বিকাশমূলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। এই প্ৰশিক্ষণৰ জৰিয়তে স্থানীয়ভাৱে বিভিন্ন বেচৰকাৰী প্ৰতিষ্ঠানত কৰ্মসংস্থাপনৰ সুবিধা লাভ কৰাৰ লগতে কিছুসংখ্যক যুৱক-যুৱতীয়ে স্ব-নিয়োজনৰ সুযোগ লাভ কৰিছে।

স্থানীয়ভাৱে কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি কৰাৰ উদ্দেশ্যে উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগে বৰখলা বিধানসভা সমষ্টিত বিভিন্ন আঁচনি ৰূপায়ণ কৰি আহিছে। যেনে—

১) PMEGP ৰ অধীনত ৪২ গৰাকী হিতাধিকাৰী উপকৃত হৈছে আৰু ১২৫ টা কৰ্মসংস্থাপন সৃষ্টি হৈছে।

২) PMFME আঁচনিৰ অধীনত বৰখলা সমষ্টিত এতিয়ালৈকে, ৩১ টা উদ্যোগ স্থাপন হৈছে আৰু আবেদনকাৰীলৈ সৰ্বমুঠ ৩৭.৮৪ লাখ টকাৰ ৰাজ সাহাৰ্য্য দিয়া হৈছে। সমগ্ৰ বৰাক উপত্যকাৰ তিনিখন জিলাত এতিয়ালৈকে ইতিমধ্যে, ৭১৭ জন উদ্যোগীৰ, ১২১৫.৩১ লাখ টকাৰ প্ৰকল্প ব্যয় সাপেক্ষ আবেদন বেংকৰ পৰা অনুমোদিত হৈছে। ইয়াৰ ভিতৰত, এতিয়ালৈকে, ৬৪২ জন আবেদনকাৰী লৈ সৰ্বমুঠ ১০৭৬.৬৬ লাখ টকাৰ মুলধনী বিনিয়োগত (Capital Investment) ৰাজ সাহাৰ্য্য হিচাবে দিয়া হৈছে।

৩) কেন্দ্ৰীয় চৰকাৰৰ উদ্যোগীকৰণ নীতি )UNNATI) আদিৰ অধীনত সমষ্টিত মুঠ ৭কোটি টকাৰ ৫৩. গৰাকী লোকৰ কৰ্মসংস্থাপনৰ সৃষ্টি হৈছে ৯৫বিনিয়োগেৰে দুটা উদ্যোগ স্থাপন কৰা হৈছে আৰু ইয়াৰ জৰিয়তে মুঠ ।

৪) CMAAA (1.0)ৰ অধীনত ৮৫ গৰাকী হিতাধিকাৰীয়ে **১** লাখ টকাকৈ আৰু ৯৩ গৰাকীয়ে ২ লাখ টকাকৈ বিত্তীয় সাহাৰ্য্য লাভ কৰিছে, যাৰ ফলত মুঠ **১৭৮** গৰাকী লোক উপকৃত হৈছে আনহাতে CMAAA (2.0)ৰ অধীনত ৪৪০ গৰাকী হিতাধিকাৰীয়ে ৭৫,০০০.০০ টকাকৈ লাভ কৰিবলৈ সক্ষম হৈছে।

৫) পি.এম. বিশ্বকৰ্মা (PM Vishwakarma) আচঁনিৰ জৰিয়তে – **১,১২৫** গৰাকী শিল্পী/কাৰিকৰে প্ৰধান মন্ত্ৰীৰ বিশ্বকৰ্মা পৰিচয় পত্ৰ লাভ কৰিছে। ইয়াৰে ৭,৫৫ জনে সা-সঁজুলি লাভ কৰিছে আৰু ৪০৪ জনলৈ বেংক ঋণৰ ব্যৱস্থা কৰা হৈছে।

**(ঘ)** অসম চৰকাৰে শেহতীয়াকৈ **"শ্ৰদ্ধাঞ্জলি"** আঁচনি আৰম্ভ কৰিছে। এই আঁচনিৰ অধীনত অসমৰ বাহিৰত উচ্চ শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰী অথবা কম বেতনৰ/সাধাৰণ জীৱিকাত নিয়োজিত যুৱক-যুৱতীৰ মৃত্যুৰ ক্ষেত্ৰত, মৃতদেহ মৰ্যাদাপূৰ্ণভাৱে নিজ গৃহলৈ ঘূৰাই অনাৰ বাবে প্ৰয়োজনীয় পৰিবহণ আৰু আনুষংগিক সকলো ব্যয় অসম চৰকাৰে সম্পূৰ্ণৰূপে বহন কৰিব।

**(ঙ)** উদ্যোগ, বাণিজ্য আৰু ৰাজহুৱা প্ৰতিষ্ঠান বিভাগ অৱগত নহয়।

*****************